তৰুণ গগৈ
মুখ্যমন্ত্ৰী, অসম
০১/০১/২০১৫
দিছপুৰ, গুৱাহাটী

শ্ৰদ্ধাভাজন,

নমস্কাৰ গ্ৰহণ কৰিব।

ইংৰাজী নৱবৰ্ষ আৰু আগন্তুক ভোগালী বিহু উপলক্ষে আপোনাৰ লগতে পৰিয়ালৰ সকলোটিলৈকে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। আপোনালোকৰ সহায়-সহযোগত বিগত প্ৰায় চৈধ্য (১৪) বছৰে আমাৰ চৰকাৰে ৰাজ্যখনৰ উন্নয়ন তথা জনসাধাৰণৰ কল্যাণৰ বাবে গ্ৰহণ কৰা বিভিন্ন কাম-কাজৰ এক খতিয়ান মই সকলোৰে জ্ঞাতাৰ্থে দাঙি ধৰিব বিচাৰিছো।

আহক, উভতি চাওঁ ২০০১ চনৰ আগৰ কালছোৱালৈ

সেই সময়ত ৰাজ্যখনত বিৰাজ কৰা আইন-শৃংখলাহীন পৰিস্থিতি, গভীৰ বিত্তীয় সংকট আৰু অনগ্ৰসৰতাই অসমক সৰ্বদিশৰ পৰা ধ্বংসৰ মুখলৈ লৈ যোৱাই নহয়, জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নোহোৱা কৰিছিল। অসমৰ দুখীয়া-নিছলা, ৰোৱনী-বোৱনী, কৃষক-শ্ৰমিকসকলৰ কল্যাণৰ বাবে থকা উন্নয়নমূলক আঁচনিবোৰ বন্ধ হৈ গৈছিল। চৰকাৰী কৰ্মচাৰীক নিয়মীয়া দৰমহা, ভাত্তা, বানচ আদিৰ পৰা বঞ্চিত কৰা হৈছিল। গুপ্তহত্যাৰ বিভীষিকাই জনসাধাৰণক সন্ত্ৰাসিত কৰি তুলিছিল।

সমৃদ্ধি, প্ৰগতি তথা উন্নয়নৰ বাটেৰে

২০০১ চনত অসমৰ এক জটিল সন্ধিক্ষণত আমাৰ চৰকাৰ ৰাজ্যৰ শাসন ক্ষমতালৈ আহিছিল আৰু আমি তেতিয়াৰ পৰাই আৰম্ভ কৰিছিলো সুসংহত বিত্তীয় পৰিচালনা আৰু উন্নয়নমুখী

বিভিন্ন বলিষ্ঠ পদক্ষেপ।

সৰ্বসাধাৰণ ৰাইজৰ উৎপাদন আৰু উপাৰ্জন বৃদ্ধিৰ লক্ষ্যৰে কৃষি, জলসিঞ্চন, মীন, দুগ্ধ উন্নয়ন, পশুপালন, ৰেচম তথা হস্ততাঁত বস্ত্ৰশিল্প আদি খণ্ডক অগ্ৰাধিকাৰ দিয়া হৈছে। এই বছৰত প্ৰায় ৫৫ লাখ মেট্ৰিকটন চাউল উৎপাদনেৰে অসমে অভিলেখ গঢ়িছে। কৃষি আৰু ইয়াৰ সহযোগী খণ্ডত নিয়োগ সৃষ্টি আৰু আত্মসংস্থাপনৰ সুযোগ বাঢ়িছে। ২০০০-০১ চনৰ ৰাজ্যখনৰ কৃষিখণ্ডৰ বিকাশৰ হাৰ ঋণাত্মক হোৱাৰ বিপৰীতে ২০১৩-১৪ বৰ্ষত বিকাশৰ হাৰ হৈছেগৈ ৪.৫ শতাংশ। গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে আন্তঃগাঁথনি শক্তিশালী কৰি তোলাৰ অৰ্থে পথ যোগাযোগ ব্যৱস্থা উন্নত কৰা হৈছে। ২৫,১৮১ কিলোমিটাৰ পকীপথ আৰু ৩,৯৯০খন পকী দলং নিৰ্মাণ কৰা হৈছে। পথ পকীকৰণ, সকলোবোৰ কাঠৰ দলং পকী দলঙলৈ ৰূপান্তৰকৰণ তথা ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণ আৰু উন্নীতকৰণৰ কাম পূৰ্ণগতিত চলি আছে আৰু ইয়াৰ সুফল ৰাইজে অচিৰেই লাভ কৰিবলৈ সক্ষম হ'ব।

২০১৪-১৫ বৰ্ষত এম জি এন্‌ৰেগাৰ অধীনত প্ৰায় ৪২ লাখ জবকাৰ্ড প্ৰদান কৰা হৈছে আৰু ১০৫.৪৪ লাখ কৰ্মৰ দিন সৃষ্টি কৰা হৈছে। মুখ্য মন্ত্ৰীৰ জীৱনজ্যোতি স্বনিয়োজন যোজনাৰ জৰিয়তে প্ৰায় ৭০,০০০গৰাকী নিৰনুৱা যুৱক-যুৱতী, কৃষক, শিপিনী, কাৰিকৰলৈ প্ৰায় ৫০০ কোটি টকাৰ ৰাজসাহায্যযুক্ত বেংক ঋণ প্ৰদান কৰা হৈছে। অধিকসংখ্যক যুৱক-যুৱতীক স্ব-নিয়োজনৰ প্ৰতি আকৰ্ষিত কৰিব পৰাকৈ মুখ্য মন্ত্ৰীৰ জীৱনজ্যোতি স্ব-নিয়োজন যোজনাৰ ৰাজসাহায্য ৫০ শতাংশলৈ বৃদ্ধি কৰা হৈছে। ইন্দিৰা আৱাস যোজনাৰ দ্বাৰা ২৩ লাখতকৈও অধিক হিতাধিকাৰী উপকৃত হৈছে। বয়ন জ্যোতি আঁচনিৰ জৰিয়তেও প্ৰায় ২৩ লাখ দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ শিপিনীলৈ বিনামূলীয়াকৈ সূতাৰ যোগান ধৰা হৈছে। অসম বিকাশ যোজনাৰ অধীনত প্ৰায় ২৯ লাখ দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ শিপিনীলৈ বিনামূলীয়াকৈ কম্বল যোগান ধৰা হৈছে। বৰ্তমান ৰাজ্য চৰকাৰে নিয়মীয়াকৈ পঞ্চায়ত, পৌৰ নিকায় আদিৰ নিৰ্বাচন অনুষ্ঠিত কৰি ৰাইজক উন্নয়নী প্ৰক্ৰিয়াৰ সৈতে সক্ৰিয়ভাৱে জড়িত কৰিছে।

শিক্ষা খণ্ডৰ পৰিৱৰ্তন

আমাৰ চৰকাৰে শিক্ষা খণ্ডৰ উন্নয়নত প্ৰথম অৱস্থাৰ পৰাই সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে। শিশু তথা ছাত্ৰ-ছাত্ৰীসকল আমাৰ দেশৰ ভৱিষ্যৎ। নতুন প্ৰজন্মক সময়োপযোগী

গুণগত মানৰ শিক্ষা প্ৰদানেৰে ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ আমাৰ চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে। ৰাজ্যখনৰ প্ৰাথমিক পৰ্যায়ৰ পৰা মহাবিদ্যালয় পৰ্যায়লৈ ভেঞ্চাৰ শিক্ষানুষ্ঠানবোৰৰ শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ, টেটৰ জৰিয়তে শিক্ষক নিযুক্তি, কলেজ শিক্ষকৰ বাবে পেঞ্চনৰ ব্যৱস্থা আদিয়ে নিশ্চয় আপোনালোকৰ উপকাৰ সাধিছে। বুনিয়াদ, জ্ঞানজ্যোতি, আনন্দৰাম বৰুৱা বঁটা আদি আঁচনিৰ দ্বাৰা শিক্ষাৰ্থীসকল লাভৱান হৈছে।

গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাবে অধিক পুঁজি মুকলি কৰি দিয়াৰ লগতে শিৱসাগৰত অসম ৰাজীৱ গান্ধী সমবায় পৰিচালনা বিশ্ববিদ্যালয়, যোৰহাটত অসম মহিলা বিশ্ববিদ্যালয়, টাটা ইন্‌ষ্টিটিউট অব ছ'চিয়েল ছায়েন্স, ইণ্ডিয়ান ইন্‌ষ্টিটিউট অব ইন্‌ফৰমেছন টেকন'লজী আদিৰ দৰে প্ৰতিষ্ঠানো অসমত স্থাপন হৈছে। ৰাজ্যত এখন বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় স্থাপন কৰাৰ লগতে গুৱাহাটীত এখন বিজ্ঞান নগৰ আৰু এখন জৈৱ প্ৰযুক্তি উদ্যান স্থাপনৰ কাম চলি আছে।

স্বাস্থ্য খণ্ডত নতুনত্ব

স্বাস্থ্য খণ্ডৰ উন্নয়নৰ জৰিয়তেহে এখন সমাজ তথা দেশৰ প্ৰকৃত উন্নয়ন সম্ভৱ। সেয়েহে আমি স্বাস্থ্য খণ্ডৰ উন্নয়নত বিশেষ গুৰুত্ব দি আহিছো আৰু আমাৰ চৰকাৰে লোৱা পদক্ষেপৰ ফলত আজি ৰাজ্যখনৰ স্বাস্থ্য খণ্ডলৈ আমূল পৰিৱৰ্তন আহিছে। প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, জিলা আৰু মহকুমা চিকিৎসালয়সমূহৰ পৰিৱৰ্তিত তথা উন্নত ৰূপ আজি আপোনালোকে দেখা পাইছে। ১০৮ মৃত্যুঞ্জয় সেৱা, মামণি, মৰম, আদৰণি, সঞ্জীৱনী, জননী সুৰক্ষা, মমতা, স্নেহস্পৰ্শ আদি সেৱাবোৰে নিশ্চয় আৰ্তজনক বিপদৰ সময়ত সহায় আগবঢ়াই আহিছে। শিশু আৰু মাতৃৰ কল্যাণ, বিশেষকৈ পৰিপুষ্টি সাধন আৰু ৰক্তহীনতা নিৰাময়ত আমি বিশেষভাৱে গুৰুত্ব দিছো। জন্মগতভাৱে হৃদযন্ত্ৰত বিসংগতি থকা ৰাজ্যখনৰ কেবাহাজাৰো শিশুক ৰাজ্যৰ বাহিৰৰ চিকিৎসালয়ত বিনামূলীয়াকৈ অস্ত্ৰোপচাৰ কৰা হৈছে। ফটা ওঁঠ আৰু তালু থকা দহ হাজাৰৰো অধিক শিশুক বিনামূলীয়াকৈ অস্ত্ৰোপচাৰ কৰা হৈছে। বিভিন্ন জটিল ৰোগত আক্ৰান্ত লোকলৈ মুখ্য মন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা বিগত ১৪ বছৰত সৰ্বমুঠ প্ৰায় ৪৭ কোটি টকাৰ সাহায্য আগবঢ়োৱা হৈছে। বছৰি ৩ হাজাৰৰো অধিক ব্যক্তি ইয়াৰ দ্বাৰা উপকৃত হৈ আহিছে। আমি

ৰাজ্যখনত মেডিকেল কলেজৰ সংখ্যা ৩খনৰ পৰা ৬খনলৈ বৃদ্ধি কৰিছো, ই ভৱিষ্যৎ প্ৰজন্মৰ বাবে যথেষ্ট সুফলদায়ক হ'ব।

বিশুদ্ধ খোৱাপানীৰ যোগান আৰু অনাময় ব্যৱস্থা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে বহুতো পদক্ষেপ হাতত লৈছে। মনসা, অৰ্থাৎ মুখ্য মন্ত্ৰীৰ অসমৰ নিৰ্মল আৰু সেউজ অভিযানে আগন্তুক দিনবোৰত ৰাজ্যখনত এই দিশত এক সুস্থ বাতাবৰণ সৃষ্টিত অধিক অৰিহণা যোগাব।

বিভিন্ন জাতি-জনগোষ্ঠীৰ উন্নয়ন

চাহ জনগোষ্ঠীৰ লোকসকলৰ কল্যাণ আৰু বিকাশৰ বাবে আমি বিভিন্ন আঁচনি-পদক্ষেপ গ্ৰহণ কৰি আহিছো। বাগানৰ শ্ৰমিকসকলৰ মাজৰ কৰ্কট, যক্ষ্মা আদি অসুখৰ ৰোগীক সহায় কৰিবলৈ বিশেষ আঁচনি হাতত লোৱা হৈছে। চাহ জনজাতি ছাত্ৰ-ছাত্ৰীৰ উচ্চশিক্ষাৰ বাবে জলপানি প্ৰদান কৰা হৈছে। চাহ শ্ৰমিকৰ আৱাসত ব্যক্তিগত বিদ্যুৎ মিটাৰ সংযোগ কৰা হৈছে। বাগানৰ দুখীয়া মহিলাক চিলাই মেচিন প্ৰদান কৰা হৈছে। চাহ জনজাতি কল্যাণ বিভাগৰ পুঁজি বৃদ্ধি কৰা হৈছে। চাহ বাগিচা শ্ৰমিক আইনখন ফলপ্ৰসূভাৱে বলবৎ কৰিবলৈ আমাৰ চৰকাৰে পদক্ষেপ লৈছে। সংখ্যালঘুসকলৰ কল্যাণৰ কাৰণে ৰাজ্য চৰকাৰে বিগত কালছোৱাত বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে। ১৫খন সংখ্যালঘু অধ্যুষিত জিলাত উন্নয়নমূলক কাম-কাজৰ বাবে প্ৰায় ৭০৩ কোটি টকা ব্যয়সাপেক্ষ বহুখণ্ডীয় উন্নয়ন পৰিকল্পনাৰ (এম এছ ডি পি) অধীনত শিক্ষা, স্বাস্থ্য, খোৱাপানী, সমাজ কল্যাণ আদি খণ্ডত বিভিন্ন আঁচনি ৰূপায়ণৰ কাম চলি আছে। অসমত সকলো জাতি-জনগোষ্ঠীৰ সৰ্বাংগীণ বিকাশৰ লক্ষ্যৰে ৭খন স্বায়ত্তশাসিত পৰিষদ আৰু ১৯খন উন্নয়ন পৰিষদ গঠন কৰা হ'ল। ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে আমি চেষ্টা কৰি আছো। স্বায়ত্তশাসিত পৰিষদ আৰু উন্নয়ন পৰিষদ সমূহে বিভিন্ন আঁচনি হাতত লৈ নিজৰ নিজৰ এলেকাত উন্নয়নৰ কামত অগ্ৰসৰ হৈছে।

শক্তি, উদ্যোগ খণ্ডত গ্ৰহণ কৰা বিশেষ পদক্ষেপ

শক্তিখণ্ডৰ উন্নয়নত চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰি বিগত সময়ছোৱাত এই খণ্ডৰ উন্নয়নৰ বাবে কেবাহাজাৰ কোটি টকা বিনিয়োগ কৰিছে। ৰাজ্যখনত বাঢ়ি অহা বিদ্যুতৰ চাহিদা পূৰণ কৰিব পৰাকৈ কেবাটাও নতুন বিদ্যুৎ শক্তি উৎপাদন প্ৰকল্পৰ নিৰ্মাণকাৰ্য চলাই

থকা হৈছে। ৰাজ্যখনত বিদ্যুতৰ গ্ৰাহকৰ সংখ্যা ২০০০-০১ চনৰ প্ৰায় ৯ লাখৰ বিপৰীতে ২০১৩-১৪ চনত ২৯ লাখৰো অধিক হৈছে। ৰাজ্যখনক উদ্যোগৰ ক্ষেত্ৰত আগবঢ়াই নিবলৈও আমাৰ প্ৰচেষ্টা অব্যাহত আছে। আমাৰ চৰকাৰৰ প্ৰচেষ্টাৰ ফলতে গেছ ক্ৰেকাৰ প্ৰকল্পৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। ইফালে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বিকাশতো আমি অগ্ৰাধিকাৰ প্ৰদান কৰিছো আৰু ৰাজ্যখনত এইক্ষেত্ৰত থকা সম্ভাৱনাৰ সদ্ ব্যৱহাৰ কৰিবলৈ আমি আঁচনি লৈছো।

পৰিসংখ্যাই দিয়ে অসমৰ উন্নয়নৰ ছবি

আমাৰ চৰকাৰৰ দৃঢ় পদক্ষেপৰ ফলত অসমে উন্নয়নৰ দিশত এক নতুন গতি লাভ কৰিছে। ২০০১ চনত মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ হাৰ ১.৫ শতাংশ হোৱাৰ বিপৰীতে ২০১৩-১৪ বৰ্ষত ৬.৮৮ শতাংশ হৈছেহি। জনমূৰি আয় বৰ্তমান ৪৬,৩৫৮ টকালৈ বৃদ্ধি হৈছে। ২০০১-০২ চনৰ ৰাহজ সংগ্ৰহৰ পৰিমাণ ১২৭০.৩৩ কোটি টকাৰ বিপৰীতে ২০১২-১৩ বৰ্ষত ইয়াৰ পৰিমাণ ৭০৬২ কোটি টকালৈ বৃদ্ধি পাইছে।

ৰাজ্যৰ বিত্তীয় অৱস্থা উন্নতি হোৱাৰ পৰিপ্ৰেক্ষিতত আমাৰ চৰকাৰে নিজৰ পুঁজিৰে কেইবা হেজাৰ কোটি টকাৰে অসম বিকাশ যোজনাৰ অধীনত কল্যাণকামী আঁচনি ৰূপায়ণ কৰি আহিছে। বৰাক উপত্যকাৰ উন্নয়নৰ বাবে ১০০০ কোটি টকাৰ এক বিশেষ উন্নয়ন আঁচনি গ্ৰহণ কৰা হৈছে। শদিয়া, ধেমাজি জিলা আৰু লক্ষিমপুৰ জিলাৰ উন্নয়নৰ বাবে ১০০ কোটিকৈ মুঠ ৩০০ কোটিৰ বিশেষ পেকেজৰ ব্যৱস্থা কৰা হৈছে।

আমাৰ চৰকাৰে ৰাজ্যখনৰ আন্তঃগাঁথনি উন্নয়নত বিশেষভাৱে অগ্ৰাধিকাৰ প্ৰদান কৰিছে আৰু আগন্তুক কেইবছৰৰ ভিতৰত ৰাজ্যখনত বিভিন্ন আন্তঃগাঁথনি মূলক প্ৰকল্প ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ১৫ হেজাৰ কোটি টকা ব্যয় কৰিব। এনে প্ৰকল্পসমূহৰ ভিতৰত আছে গুৱাহাটী মহানগৰীৰ বাবে ১,৮০০ কোটি টকা ব্যয়সাপেক্ষ মেট্ৰ' ৰে'ল প্ৰকল্প, গুৱাহাটী মহানগৰীৰ বাবে ১,৪০০ কোটি টকা ব্যয়সাপেক্ষ ময়লা নিষ্কাশন প্ৰকল্প, ৫০ বছৰ বা তাতকৈ পুৰণি সকলোবোৰ হাইস্কুল আৰু মহাবিদ্যালয়ৰ ভৱনসমূহৰ পুনৰ নিৰ্মাণ, ১,৬০০ কোটি

টকা ব্যয়সাপেক্ষ দুমুনীচকীলৈকে পথ সংযোগৰ সুবিধাৰে নাৰেংগীৰ পৰা কুৰুৱালৈ ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত ছয়লেনযুক্ত পথৰ সৈতে দলং নিৰ্মাণ আদি।

নৱপ্ৰজন্মলৈ আগবঢ়োৱা হৈছে সংস্থাপন

ৰাজ্যখনত নিবনুৱা সমস্যা সমাধানৰ লক্ষ্যৰে বিগত সময়ছোৱাত চৰকাৰী খণ্ডত স্থায়ী আৰু ঠিকাভিত্তিত প্ৰায় ৪.১৫ লাখৰো অধিক পদত নিবুনৱা যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হৈছে। অহা ১ বছৰৰ ভিতৰত বিভিন্ন বিভাগত খালী হৈ থকা আৰু প্ৰায় ১ লাখ পদ পূৰণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আৰক্ষী বিভাগত খালী হৈ থকা ৮০০০ ৰো অধিক পদৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ৰাজ্যখনত এমপ্লইমেণ্ট জেনেৰেছন মিছন গঠন কৰি নিবনুৱা সমস্যা সমাধানৰ পথ মুকলি কৰাৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে যোৱা প্ৰায় ১৪ বছৰত কল্পতৰু, মুখ্য মন্ত্ৰীৰ কৰ্মজ্যোতি আঁচনি, প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ যোজনা, প্ৰধান মন্ত্ৰীৰ নিয়োগ নিশ্চিত আঁচনি, নিয়োগ সৃষ্টি অভিযান, মুখ্য মন্ত্ৰীৰ মহিলা সমৃদ্ধি আঁচনি আদিৰ দৰে বিভিন্ন স্বনিয়োজন আঁচনিৰ অধীনত প্ৰায় ৮৬ লাখ লোকক আত্মনিয়োজনৰ সুবিধা প্ৰদান কৰা হৈছে। বিগত সময়ছোৱাত ৰাজ্যখনত প্ৰায় ২.৭৫ লাখ আত্মসহায়ক গোট গঠন হৈছে আৰু ইয়াৰে প্ৰায় ১.৮০ লাখেই মহিলা আত্মসহায়ক গোট। আত্মসহায়ক গোটৰ অধীনত প্ৰায় ৭০ লাখ গৰাকী লোকে স্ব-নিয়োজনৰ সুবিধা লাভ কৰিছে। আমাৰ চৰকাৰে উদ্যোগ, বিশেষকৈ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ লগতে পৰিবহণ, পৰ্যটন, গ্ৰাম্য উন্নয়ন, উদ্যোগ আৰু বাণিজ্য, পশুপালন, মীনপালন, বয়ন আৰু কুটিৰ শিল্প, কৃষি ইত্যাদি বিভিন্ন ক্ষেত্ৰত ৰাজ্যখনৰ লক্ষাধিক যুৱক-যুৱতীক আত্ম-সংস্থাপন প্ৰদান কৰিছে। চৰকাৰী কৰ্মচাৰীসকলক নিয়মীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত দৰমহা-ভাত্তা আদি প্ৰদান কৰিছে।

আমাৰ চৰকাৰে মহিলাসকলক আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশত সবলীকৰণ কৰিবলৈ যথেষ্ট পদক্ষেপ লৈছে। পঞ্চায়তত মহিলাসকলৰ বাবে ৫০ শতাংশ, চৰকাৰী চাকৰিত ৩০ শতাংশ আসন সংৰক্ষণ কৰা হৈছে। ইন্দিৰা আৱাস যোজনা, ৰন্ধনজ্যোতি, বয়নজ্যোতি, অন্ত্যোদয়া অন্ন-সুৰক্ষা যোজনা, কৰ্মজ্যোতি আৰু আই.বি.এছ আঁচনিত মহিলাৰ অৰ্ন্তভুক্তি বাধ্যতামূলক কৰা হৈছে। মুখ্য মন্ত্ৰীৰ মহিলা সমৃদ্ধি যোজনাৰ অধীনত মহিলা আত্মসহায়ক গোটলৈ বিত্তীয় সাহায্য প্ৰদান কৰা হৈছে। তদুপৰি, ৰাজ্যৰ শিশুসকলৰ সামগ্ৰিক কল্যাণ বিকাশ আৰু বিভিন্ন

ক্ষেত্ৰত তেওঁলোকৰ প্ৰতিভাৰ উৎকৰ্ষ সাধনৰ বাবে ৰাজ্য চৰকাৰে ৫০ কোটি টকাৰ এখন বিশেষ আঁচনি ৰূপায়ণ কৰিব। ৰাজ্যৰ প্ৰতিবন্ধী শিশু তথা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ বাবে ৫০ কোটি টকাৰ আৰু এখন সুকীয়া আঁচনি চৰকাৰে ৰূপায়ণ কৰাৰ সিদ্ধান্ত লৈছে। ৰাজ্যখনৰ বস্তি অঞ্চলৰ উন্নয়নৰ বাবেও চৰকাৰে এখন বিশেষ আঁচনি লৈছে।

কৃষ্টি-সংস্কৃতি, ক্ৰীড়াৰ বিকাশত ৰাজ্য চৰকাৰৰ গুৰুত্ব

অসমৰ চহকী আৰু বৈচিত্ৰ্যময় সংস্কৃতি বিকাশৰ বাবে আমাৰ চৰকাৰে বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ মহান সমাজ সংস্কাৰক আৰু জাতিৰ সু-সন্তানসকলৰ বহুলভাৱে পৰিচিত কৰি দিবলৈ বহুতো আঁচনি লোৱা হৈছে। সত্ৰ অনুষ্ঠানবোৰৰ সংৰক্ষণৰ বাবেও ব্যৱস্থা লোৱা হৈছে। শিৱসাগৰৰ আজান পীৰ দৰগাহৰ সৌন্দৰ্যবৰ্ধন আৰু সংৰক্ষণৰ কাম সম্পূৰ্ণ কৰা হ'ল। জ্যোতি চিত্ৰবন প্ৰকল্পত ফিল্ম চিটী নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ। ঐতিহ্যমণ্ডিত মাজুলীৰ আৰ্থ-সামাজিক উন্নয়ন আৰু সুৰক্ষাৰ কাৰণে অতিৰিক্ত পুঁজিৰ ব্যৱস্থা কৰা হৈছে। পৰ্যটন উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত আমি যথেষ্ট গুৰুত্ব আৰোপ কৰিছো আৰু ৰাজ্যখনৰ পৰ্যটনৰ ক্ষেত্ৰসমূহৰ আন্তঃগাঁথনিমূলক সা-সুবিধা বৃদ্ধি, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ আদিৰ ব্যৱস্থা লোৱা লৈছে। ক্ৰীড়া খণ্ডৰ উন্নয়নত আমি বিশেষভাৱে গুৰুত্ব দি আহিছো। ২০০৭ চনত ৩৩তম ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে গঢ়ি তোলা আন্তঃগাঁথনিসমূহ ব্যৱহাৰ কৰি পৰৱৰ্তী বছৰকেইটাত বিভিন্ন প্ৰধান ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ পৃষ্ঠপোষকতা আগবঢ়োৱা হৈছে। ৰাজ্যখনৰ গ্ৰামাঞ্চলতো ক্ৰীড়া আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণ কৰা হৈছে।

সুস্থ চিন্তা, দক্ষ পৰিচালনাৰে অব্যাহত যাত্ৰা

বানপানী আৰু গৰাখহনীয়া সমস্যা সমাধান কৰিবলৈ বিভিন্ন আঁচনি হাতত লোৱা হৈছে। গৰাখহনীয়াত ক্ষতিগ্ৰস্ত দুখীয়া পৰিয়ালক চৰকাৰে বিভিন্ন আঁচনিৰ অধীনত সহায় আগবঢ়াই আহিছে। অসম চুক্তি ৰূপায়ণৰ বাবে আমাৰ চৰকাৰ দায়বদ্ধ। ভাৰত-বাংলাদেশ সীমান্তৰ কাঁটা তাৰৰ বেৰ নিৰ্মাণ আমাৰ চৰকাৰেহে ত্বৰান্বিত কৰিলে। ফটোযুক্ত ভোটাৰ তালিকাৰ কামো আমাৰ দিনতহে আৰম্ভ হ'ল। এইবোৰ পদক্ষেপে বিদেশী চিনাক্তকৰণ-বহিষ্কৰণ আৰু স্বদেশীক

নিৰাপত্তা প্ৰদানত সহায় কৰিব।

ৰাজ্যখনত উন্নয়নমূলক কামকাজে এক নতুন গতি লাভ কৰাত সন্ত্ৰাসবাদৰ সমস্যাও লাঘৱ হৈ আহিল। অসমৰ উন্নয়নৰ স্বাৰ্থতেই আলফাকে ধৰি প্ৰায়বোৰ উগ্ৰপন্থী সংগঠনেই হিংসা-সন্ত্ৰাস পৰিহাৰ কৰি আলোচনাৰ মেজলৈ আগবাঢ়ি অহাটো শুভ লক্ষণ। বিদ্ৰোহী সংগঠনসমূহৰ যিবোৰ গোটে এতিয়াও আলোচনাৰ মেজলৈ অহা নাই, তেওঁলোককো মই ৰাজ্যখনৰ এই উন্নয়নী প্ৰক্ৰিয়াৰ অংশীদাৰ হ'বলৈ পুনৰ আহ্বান জনাইছো।

বিগত সময়ছোৱাত বিভিন্ন সমস্যা আৰু প্ৰত্যাহ্বানৰ মাজতো আমি ৰাইজৰ কল্যাণৰ স্বাৰ্থত উন্নয়নমূলক আঁচনিবোৰ ৰূপায়ণ কৰিছো। অসমৰ ৰাইজৰ অকুণ্ঠ সহায়-সহযোগ আৰু আশীৰ্বাদ অবিহনে ই সম্ভৱ হৈ নুঠিলেহেতেন। মই সকলোকে মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। অৱশ্যে এতিয়াও আমাৰ বহুখিনি কৰিবলগীয়া আছে। ৰাজ্যখনৰ জনসাধাৰণৰ বিভিন্ন সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে নিষ্ঠা আৰু দায়বদ্ধতাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। নিবনুৱাসকলক সংস্থাপন প্ৰদান, বানপানী-গৰাখহনীয়া সমস্যা আৰু অবৈধ প্ৰব্ৰজনকাৰীৰ সমস্যা সমাধানৰ লগতে গৃহহীনৰ বাবে আৱাসৰ ব্যৱস্থা, কৃষক-ৰোৱনী-দাৱনী-বোৱনী, দৰিদ্ৰ বিধৱাৰ কল্যাণ সাধনৰ বাবে আমি ইতিমধ্যে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছো। আগন্তুক দিনত আমি জনসাধাৰণৰ কল্যাণৰ বাবে আৰু অধিক নতুন নতুন আঁচনি ৰূপায়ণ কৰিম। এইখিনিতে ৰাইজক অৱগত কৰিব বিচাৰিছো যে কেন্দ্ৰৰ নতুন চৰকাৰে এম জি এনৰেগাকে ধৰি কিছুমান শিতানত ৰাজ্যখনলৈ পুঁজি আবণ্টনৰ পৰিমাণ হ্ৰাস কৰাৰ ফলত ৰাজ্যখনে এইক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈছে। এনেবোৰ বিষয় আমি কেন্দ্ৰীয় চৰকাৰক অৱগত কৰিছো। জনসাধাৰণৰ সেৱাই আমাৰ মূলমন্ত্ৰ। জনসাধাৰণৰ সৰ্বাংগীণ কল্যাণ সাধনৰ যোগেৰে ৰাজ্যখনক সৰ্বোত্তম বিকাশৰ লক্ষ্যত আগবঢ়াই নিয়াৰ উদ্দেশ্যে অনাগত দিনবোৰত আমি আৰু অধিক নিষ্ঠা, দৃঢ়তাৰে কাম কৰি যাম। আমাৰ এই উন্নয়ন আৰু শান্তিৰ যাত্ৰাত অসমৰ সমূহ ৰাইজে সহায়-সহযোগিতা আগবঢ়াই যাব বুলি আশা কৰিলো। ইতি—

ভৱদীয়

(তৰুণ গগৈ)

মুখ্য মন্ত্ৰী, অসম